# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ৰাজ্যসভাত আজি বিৰোধী পক্ষই খাদ্য শস্যৰ ন্যূনতম সমৰ্থন মূল্যৰ বাবে আইন প্ৰৱৰ্তন কৰাৰ দাবীত সদন ত্যাগ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৰা পুৰীৰ শ্ৰী জগন্নাথ মন্দিৰ দৰ্শন কৰে। বিয়লিৰ ভাগত ৰাষ্ট্ৰপতিগৰাকীয়ে ব্লু ফ্লেগ উপকূলত আয়োজিত নৌসেনা দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছ মহাৰাষ্ট্ৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱাটো নিশ্চিত হৈছে।

৪। অমৃতসৰৰ স্বৰ্ণ মন্দিৰত দুৰ্বৃত্তই পঞ্জাৱৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী সুখবীৰ সিং বাদললৈ কৰা গুলীচালনাৰ ঘটনাত তেওঁৰ কথমপি প্ৰাণ ৰক্ষা পৰে।

আৰু

৫। মাস্কটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ চূড়ান্ত খেলত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

ৰাজ্যসভাত আজি বিৰোধী দলৰ সাংসদসকলে খাদ্য শস্যৰ ন্যূনতম সমৰ্থন মূল্যৰ বাবে আইন প্ৰৱৰ্তন কৰাৰ দাবীত সদন ত্যাগ কৰে। আজি পুৰা সদন মিলিত হোৱাৰ সময়ত ন্যূনতম সমৰ্থন মূল্য, ফেঞ্জল ঘূৰ্ণীবতাহ, চম্ভলৰ হিংসাত্মক ঘটনা আৰু এটা আগশাৰীৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে উপঢৌকনৰ অভিযোগক কেন্দ্ৰ কৰি বিৰোধী পক্ষই উত্থাপন কৰা সভাস্থগিত প্ৰস্তাৱ ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে নাকচ কৰে। এনে সময়তে কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ সাংসদসকলে শস্যৰ ন্যূনতম সমৰ্থন মূল্যৰ দাবীত শ্ল'গান দিবলৈ আৰম্ভ কৰে। সদনৰ সভাপতিগৰাকীয়ে এই বিষয়টোক লৈ বিৰোধী পক্ষই পূৰ্বে সভাস্থগিত প্ৰস্তাৱৰ জাননী উত্থাপন নকৰাক লৈ আশ্চৰ্য প্ৰকাশ কৰাৰ সময়তে একাংশ বিৰোধী সাংসদে তেওঁৰ মন্তব্যৰ বিৰোধিতা কৰাৰ লগতে কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে ন্যূনতম সমৰ্থন মূল্য বিষয়ৰ দাবী পূৰণ নকৰা বুলি চৰকাৰক দোষাৰোপ কৰি চৰকাৰক এই সন্দৰ্ভত আইন প্ৰণয়নৰ নিৰ্দেশ দিবলৈ সদনৰ সভাপতিক আহ্বান জনায়। পৰৱৰ্তী সময়ত কংগ্ৰেছ আৰু এন চি পিকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে সদন ত্যাগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা ওড়িশাৰ পবিত্ৰ চহৰ পুৰীৰ দ্বাদশ শতিকাৰ শ্ৰীজগন্নাথ মন্দিৰ পৰিদৰ্শন কৰে। তেওঁ মন্দিৰৰ ভিতৰত ভগৱান জগন্নাথ, ভগৱান বলভদ্ৰ আৰু দেৱী সুভদ্ৰাৰ ওচৰত প্ৰাৰ্থনা কৰাৰ লগতে ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু অন্যান্য বিশিষ্ট ব্যক্তিৰ সৈতে মন্দিৰ চৌহদ পৰিদৰ্শন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে পুৰীৰ গোপবন্ধু আয়ুৰ্বেদ মহাবিদ্যালয়ৰ ৭৫ সংখ্যক সমাৱৰ্তন অনুষ্ঠানতো অংশগ্ৰহণ কৰে।ৰাষ্ট্ৰপতি শ্ৰীমতী মূৰ্মুৱে আজি বিয়লি ব্লু ফ্লেগ উপকূলত নৌসেনাবাহিনীৰ উদ্যোগত আয়োজিত বাৰ্ষিক নৌসেনা দিৱসত মুখ্য অতিথি হিচাবে অংশগ্ৰহণ কৰিব । ১৯৭১ চনৰ ভাৰত-পাক

যুদ্ধৰ সময়ত নৌসেনাৰ  জটিল অভিযান ট্ৰাইডেন্টৰ বৰ্ষপূৰ্তি উপলক্ষে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াত কমেও ১৫খন জাহাজ, ছাবমেৰিন, আৰু কমেও ৪০খন বিমান প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছ মহাৰাষ্ট্ৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হোৱাটো নিশ্চিত হৈছে। শ্ৰী ফাড়নবিছে মহায়ুটি মৰ্চাৰ মুখ্যমন্ত্ৰী হিচাপে কাইলৈ তৃতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰিব। মুম্বাইত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মিত্ৰজোঁটৰ অন্য জ্যেষ্ঠ নেতাসকল উপস্থিত থাকিব। আজি মুম্বাইত অনুষ্ঠিত মহাৰাষ্ট্ৰৰ নৱনিৰ্বাচিত বিজেপি বিধায়িনী দলৰ বৈঠকত শ্ৰী ফাড়নবিছক পুনৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰা হয়। এই বৈঠকত বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচন কৰা হ'ব। আজিৰ বৈঠকত দলটোৰ জ্যেষ্ঠ নেতা তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানী উপস্থিত থাকে। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই দুয়োগৰাকী নেতাক আজিৰ এই বৈঠকৰ বাবে হাইকামাণ্ডৰ পৰ্যবেক্ষক ৰূপে নিযুক্ত কৰিছিল।   বৈঠকত বিধায়ক চন্দ্ৰকান্ত পাটিল আৰু সুধীৰ মুংগন তিৱাৰে শ্ৰী ফাড়নাৱিছক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে প্ৰস্তাৱ দিয়াৰ পাছত নৱ-নিৰ্বাচিত বিধায়কসকলে এই প্ৰস্তাৱত সমৰ্থন জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৌসেনা দিৱস উপলক্ষে ভাৰতীয় নৌসেনাত কৰ্মৰত জোৱানসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে নৌসেনাৰ  সাহসী জোৱানসকলে দেশৰ সমুদ্ৰক অতুলনীয় সাহস আৰু নিষ্ঠাৰে সুৰক্ষা দান কৰি আহিছে। তেওঁলোকৰ দায়বদ্ধতাই দেশৰ সুৰক্ষা, নিৰাপত্তা আৰু সমৃদ্ধি নিশ্চিত কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশৰ সমৃদ্ধিশালী সামুদ্ৰিক ইতিহাসক লৈ গৰ্ব কৰাৰ বাবে নৌসেনাই প্ৰতিজন ভাৰতীয়কে সুযোগ প্ৰদান কৰিছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও নৌসেনা দিৱস উপলক্ষে বাহিনীটোৰ জোৱানসকলৰ লগতে তেওঁলোকৰ পৰিয়ালসমূহলৈ শুভকামনা জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ ভাৰতীয় নৌসেনাক দেশখনৰ সমুদ্ৰ পথৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ স্তম্ভ বুলি অভিহিত কৰে।

০০০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

পঞ্জাৱৰ অমৃতসৰৰ স্বৰ্ণ মন্দিৰত আজি এটা দুৰ্বৃত্তই ৰাজ্যখনৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা শিৰোমণি আকালি দলৰ নেতা সুখবীৰ সিং বাদললৈ লক্ষ্য কৰি কৰা গুলীচালনাৰ ঘটনাত প্ৰাক্তন উপ-মুখ্যমন্ত্ৰীজনৰ কথমপি প্ৰাণ ৰক্ষা পৰে। শ্ৰী বাদলে মন্দিৰৰ প্ৰৱেশদ্বাৰত হুইল চেয়াৰত বহি প্ৰাৰ্থনা কৰি থকাৰ সময়তে নাৰায়ণ সিং নামৰ দুৰ্বৃত্তটোৱে

তেওঁৰ ওপৰত গুলীচালনা কৰাৰ চেষ্টা কৰে। অৱশ্যে প্ৰৱেশদ্বাৰত ৰৈ থকা শিৰোমণি গুৰুদ্বাৰ প্ৰৱন্ধক সমিতিৰ সেৱকসকলৰ তৎপৰতাত তেওঁৰ প্ৰাণ ৰক্ষা পৰে। সেৱকসকলে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক আগুৰি ধৰাৰ সময়তে গুলীটো গৈ বেৰত খুন্দা মাৰে। দুৰ্বৃত্তটোক ততালিকে আৰক্ষীক গতাই দিয়া হৈছে। ঘটনাস্থলীত ততালিকে আৰক্ষী আয়ুক্ত গুৰপ্ৰীত সিং ভুল্লাৰ উপস্থিত হৈ ঘটনাৰ সবিশেষ তদন্ত কৰিছে। শ্ৰী বাদলৰ পত্নী তথা প্ৰাক্তন সাংসদ হৰচিমৰত কৌৰ বাদলো ঘটনাস্থলীত উপস্থিত হৈছে।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টুৱে শ্ৰী বাদলৰ ওপৰত আক্ৰমণৰ ঘটনাক গৰিহণা দিছে। কংগ্ৰেছ নেত্ৰী ৰেণুকা চৌধুৰীয়েও এই ঘটনাক দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰিছে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে উন্নয়নশীল ৰাষ্ট্ৰসমূহক অধিক সহযোগিতা আগবঢ়াবৰ বাবে গোলকীয় বিত্তীয় ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ আহ্বান জনোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানত গ্ল’বেল ছাউথৰ অধিক প্ৰতিনিধিত্বৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে তদুপৰি বহুপাক্ষিক উন্নয়নশীল বেংকৰ পৰা পুঁজিৰ আৱণ্টন বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। ৰাষ্ট্ৰসংঘৰ বৈঠকত বিত্ত মন্ত্ৰালয়ে অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ উপদেষ্টা গীতু যোশীয়ে উন্নয়নশীল দেশসমূহৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি এটা বিত্তীয় ব্যৱস্থাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। তেওঁ বহুপাক্ষিক বিত্তীয় বেংকৰ পুঁজি আৱণ্টনৰ পৰিমাণ বৃদ্ধিৰ ওপৰতো গুৰুত্ব দিয়ে। তদুপৰি উন্নয়নৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ দূৰ কৰি সহযোগিতা বৃদ্ধিৰ বাবে বহুপাক্ষিক উন্নয়ন বেংকৰ এটা অৰ্থ ব্যৱস্থা গঢ়ি তোলাৰ তেওঁ পোষকতা কৰে। শ্ৰীমতী যোশীয়ে গ্ল’বেল ছাউথৰ সন্মুখত এটা নিদৰ্শন হিচাপে ভাৰতৰ মানৱ সম্পদ কেন্দ্ৰিক বিকাশৰ আৰ্হিৰ কথা উল্লেখ কৰি কয়, যে ভাৰতে ২৫০ নিযুত লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে।

ooooooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হ’ব। ইছৰোৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি আজি বিয়লি ৪ বাজি ৮ মিনিটত PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন কৰিব। ইছৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে এই প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন বাবে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা ফৰমাচ লাভ কৰিছে। প্ৰোবা থ্ৰি উপগ্ৰহসমূহ কক্ষপথত উপনীত হোৱাৰ পাছত দুটা ভাগত বিভক্ত হ’ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব।

ooooo

ওমানৰ মাস্কটত চলি থকা পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বাজি ৩০ মিনিটত আৰম্ভ হ’ব। বৰ্তমানৰ চেম্পিয়ন ভাৰত পঞ্চমবাৰৰ বাবে খিতাপ অৰ্জন তথা এইবেলিৰ প্ৰতিযোগিতাত একেৰাহে তৃতীয় বাৰৰ বাবে জয়লাভ কৰাৰ লক্ষ্যৰে আজিৰ খেলখনত অৱতীৰ্ণ হ’ব। ইয়াৰ পূৰ্বে কালি দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতে মালয়েছিয়াক ৩-১ গ’লত পৰাজিত কৰে। দলটোৰ হৈ দিলৰাজ সিং, ৰোহিত আৰু সাৰদানন্দ তিৱাৰীয়ে এটাকৈ গ’ল দিয়ে।  আনহাতে, পাকিস্তানে প্ৰথমখন ছেমি ফাইনেলত জাপানক ৪-২ গ’লত পৰাজিত কৰিছিল।

উল্লেখযোগ্য যে যোৱাবেলিও পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্রতিযোগিতাৰ চূড়ান্ত খেলখনত ভাৰত আৰু পাকিস্তান পৰস্পৰৰ বিৰুদ্ধে অৱতীর্ণ হৈছিল। এইখন খেলত ভাৰতে ২-১ গ'লৰ ব্যৱধানত জয়লাভ কৰি সোণৰ পদক অর্জন কৰিছিল। এই প্রতিযোগিতাখনেই অহা বছৰ ভাৰতত হ'বলগীয়া আন্তঃৰাষ্ট্রীয় হকী ফেডাৰেচনৰ জুনিয়ৰ বিশ্বকাপ প্রতিযোগিতাত অংশগ্রহণ কৰিবলগীয়া দলৰ যোগ্যতা নিৰূপণকাৰী খেল।

ooooooooo

শ্বাৰজাহত চলি থকা ১৯ বছৰ অনুর্ধৰ এছিয়া কাপ ক্রিকেট প্রতিযোগিতাৰ গ্রুপ-এৰ তৃতীয়খন খেলত আজি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই ভাৰতক বিজয়ৰ বাবে ১৩৮ ৰানৰ লক্ষ্য নির্ধাৰণ কৰি দিছে। শ্বাৰজাহ ক্রিকেট ষ্টেডিয়ামত আজি অনুষ্ঠিত খেলখনত ঘৰুৱা দলটোৱে টছত জিকি প্রথমে বেট ধৰি ৪৪ অ'ভাৰত আঠাইকেইটা উইকেট হেৰুৱাই ১৩৭ ৰান কৰে।

সম্প্রতি প্রতিযোগিতাৰ গ্রুপ এৰ দ্বিতীয় স্থানত থকা ভাৰতে ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিবলৈ হ'লে আজিৰ খেলখনত জয়লাভ কৰাটো নিশ্চিত কৰিব লাগিব।

গ্রুপ-এৰ আন এখন খেলত আজি ডুবাইত পাকিস্তানে জাপানৰ মুখামুখি হ'ব। প্রতিযোগিতাৰ প্রথমখন লীগ খেলত দলটোৱে ভাৰত পাকিস্তানৰ হাতত পৰাজিত হৈছিল যদিও দ্বিতীয়খন খেলত দলটোৱে জাপানক ২১১ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰিছিল।

ooooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে কাইলৈ দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। প্রার্থীসকল কাইলৈ পুৱা চাৰে ৯ বজাৰ ভিতৰত আকাশবাণী গুৱাহাটীৰ বাতৰি কক্ষত উপস্থিত হ'ব লাগিব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্রার্থীয়ে এই সাক্ষাৎকাৰত অংশগ্রহণ কৰিব পাৰিব। প্রার্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অর্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পর্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্রার্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্রার্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

oooooo

সমাপ্ত